Test Booklet No.
টেষ্ট বুকলেট সংখ্যা

**Subject : BIOLOGY**
**Code : 304 EAS**
**Medium : English and Assamese**

**(Do not open this Test Booklet until you are asked to do so)**
**(অনুমতি নোপোৱালৈকে এই বুকলেট নুখুলিবা)**

Test Booklet Code
টেষ্ট বুকলেট কোড
**A**

| Time Allowed : **45** minutes<br>নিৰ্ধাৰিত সময় : **45** মিনিট | Maximum Marks : **200**<br>সৰ্বোচ্চ নম্বৰ : **200** | Total Questions : **50**<br>মুঠ প্ৰশ্ন : **50** | Number of questions to be answered : **40**<br>উত্তৰ কৰিবলগীয়া প্ৰশ্নৰ সংখ্যা : **40** |
|---|---|---|---|

**Kindly read the Instructions given on this Page and Back Page carefully before attempting this Question Paper.**
**এই প্ৰশ্নকাকত উত্তৰ কৰাৰ আগতে পৃষ্ঠাত দিয়া নিৰ্দেশনাসমূহ ভালকৈ পঢ়িবা।**

***Important Instructions for the Candidates :***

1. This Test Booklet contains **50** questions printed in English and Assamese. Out of these, the candidate is required to answer any **40** questions. If a candidate answers more than 40 questions, the first 40 answered questions will be considered for evaluation.
2. When you are given the OMR Answer Sheet, fill in your particulars on it carefully with **blue/black** ball point pen only.
3. Use only Blue/Black Ball Point Pen for marking responses.
4. The CODE for this Test Booklet is **A**. Make sure that the CODE printed on the OMR Answer Sheet is the same as that on this Test Booklet. Also ensure that your Test Booklet No. and OMR Answer Sheet No. are exactly the same. In case of discrepancy, the candidate should immediately report the matter to the Invigilator for replacement of both the Test Booklet and the OMR Answer Sheet. No claim in this regard will be entertained after five minutes from the start of the examination.
5. Before attempting the question paper kindly check that this Test Booklet has total **28** pages and OMR Answer Sheet consists of one sheet. At the start of the examination within first five minutes, candidates are advised to ensure that all pages of Test Booklet and OMR Answer Sheet are properly printed and they are not damaged in any manner.
6. Each question has four answer options. Out of these four options choose the **MOST APPROPRIATE OPTION** and darken/blacken the corresponding circle on the OMR Answer Sheet with a Blue/Black Ball Point Pen.
7. Five (5) marks will be given for each correct answer. One (1) mark will be deducted for each incorrect answer. If more than one circle is found darkened/blackened for a question, then it will be considered as an incorrect answer. Unanswered questions will be given no mark.

P.T.O.

***ছাত্ৰ-ছাত্ৰীৰ বাবে গুৰুত্বপূৰ্ণ নিৰ্দেশনাসমূহ :***

1. টেষ্ট বুকলেটখনত **50** টা প্ৰশ্ন ইংৰাজীত আৰু অসমীয়া ছপোৱা হৈছে। পৰীক্ষাৰ্থী সকলে ইয়াৰ যি কোনো **40** টা প্ৰশ্নৰ উত্তৰ কৰিব লাগিব। যদি কোনো পৰীক্ষাৰ্থীয়ে 40 তাতকৈ অধিক প্ৰশ্নৰ উত্তৰ কৰে তেন্তে প্ৰথমৰ পৰা 40 টা প্ৰশ্নৰ উত্তৰৰ হে মান দিয়া হ'ব।
2. OMR পৃষ্ঠাত তোমাৰ উপাদানবোৰ কেৱল **নীলা/ক'লা** কলমেৰে পূৰণ কৰিবা।
3. মাৰ্কিংঙৰ বাবে কেৱল নীলা/ক'লা চিঁয়াহীৰ কলম ব্যৱহাৰ কৰিবা।
4. টেষ্ট বুকলেটৰ ক'ড **A** । OMR পৃষ্ঠাত ক'ড একে ছপোৱা হৈছেনে তাৰ প্ৰতি নিশ্চিত হ'বা। তাৰোপৰি নিশ্চিত হ'বা যে তোমাৰ টেষ্ট বুকলেটৰ নম্বৰ আৰু OMR পৃষ্ঠাত নম্বৰ একে আছেনে নাই। যদি ইয়াত ভিন্নতা থাকে তেন্তে বিষয়টো ইনভিজিউলেটৰ তৎক্ষনাত জনাব লাগিব আৰু টেষ্ট বুকলেট, OMR পৃষ্ঠাত সলনি কৰি ল'ব লাগিব । পৰীক্ষা আৰম্ভ হোৱাৰ পাঁচ মিনিট পাছত এই বিষয়ত কোনো দাবী আপত্তি নাথাকিব।
5. প্ৰশ্ন এটেন্ড কৰাৰ আগতে চাব লাগিব যে বুকলেটখনত মুঠ পৃষ্ঠা **28** আৰু OMR উত্তৰ পৃষ্ঠাবোৰ একে পৃষ্ঠাযুক্ত আছেনে নাই। পৰীক্ষাৰ্থীজনক উপদেশ দিয়া হয় জাতে পৰীক্ষা আৰম্ভ হোৱাৰ ঠিক পাঁচ মিনিটৰ ভিতৰত লক্ষ্য কৰে টেষ্ট বুকলেট আৰু OMR পৃষ্ঠা ঠিকমতে ছপোৱা হৈছে নে নাই আৰু কোনো পৃষ্ঠা ক্ষতি হৈছে নেকি?
6. প্ৰতিটো প্ৰশ্নৰ উত্তৰ চাৰিটা বিকল্প আছে। এই চাৰিটা বিকল্পৰ **অতি উত্তম বিকল্পটো** বাছনি কৰি OMR উত্তৰ পত্ৰিকাৰ নীলা/ক'লা কলমেৰে dark কৰিবা।
7. প্ৰতিটো শুদ্ধ উত্তৰৰ বাবে (5) নম্বৰ প্ৰদান কৰা হ'ব। প্ৰতিটো অশুদ্ধ উত্তৰৰ বাবে (1) নম্বৰ কৰ্তন কৰা হ'ব। যদি এটাতকৈ বেছি বৃত্ত dark কৰা থাকে তেন্তে তেনে প্ৰশ্নৰ উত্তৰ ভুল বুলি বিবেচনা কৰা হ'ব আৰু উত্তৰ নকৰা প্ৰশ্নত কোনো নম্বৰ দিয়া নহ'ব।

কৃ.প.প.

Name of the Candidate (in Capital Letters) : ____________________
পৰীক্ষাৰ্থীৰ নাম (ডাঙৰ হাতৰ আখৰত) :

Application Number (in figures) : ____________________
আবেদনৰ নম্বৰ (figuresত) :

Roll Number (in figures) : ____________________
ৰোল নম্বৰ (figuresত) :

Centre of Examination (in Capital Letters) : ____________________
পৰীক্ষা কেন্দ্ৰৰ নাম (ডাঙৰ হাতৰ আখৰত) :

Candidate's Signature : ____________________ Invigilator's Signature : ____________________
পৰীক্ষাৰ্থীৰ চহী : ইনভিজিউলেটৰ চহী :

Facsimile signature stamp of Centre Superintendent : ____________________
কেন্দ্ৰ অধীক্ষক Facsimile stamp চহী :

**1.** Cells present in the mature pollen grains are ____________ .

(1) Central cell and generative cell
(2) Antipodal cell and vegetative cell
(3) Vegetative cell and generative cell
(4) Filiform cell and micropylar cell

**2.** Match **List-I** with **List-II** :

| **List-I**<br>**Structures** | **List-II**<br>**Functions** |
|---|---|
| (A) Filiform apparatus | (I) Made up of sporopollenin |
| (B) Tapetum | (II) Attachment of ovule to the placenta |
| (C) Exine | (III) Guides pollen tube into the synergid |
| (D) Funicle | (IV) Nourishes the pollen grain |

Choose the ***correct*** answer from the options given below :

(1) (A) - (IV), (B) - (I), (C) - (II), (D) - (III)
(2) (A) - (III), (B) - (IV), (C) - (I), (D) - (II)
(3) (A) - (II), (B) - (I), (C) - (III), (D) - (IV)
(4) (A) - (I), (B) - (III), (C) - (IV), (D) - (II)

**3.** Primary Endosperm Nucleus is the product of :

(1) Double fusion
(2) Triple fusion
(3) Parthenogenesis
(4) Apomixis

**4.** In humans, mammary gland is divided into _____________ lobes.

(1) 10 – 12
(2) 25 – 30
(3) 30 – 35
(4) 15 – 20

**5.** Sex in human embryo is determined by :

(1) 'X' chromosome of egg
(2) 'X' or 'Y' chromosome of sperm
(3) Only 'Y' chromosome of sperm
(4) Health of mother

**SPACE FOR ROUGH WORK**

**1.** পৰিপক্ক পৰাগৰেণুত থকা কোষবোৰ হ'লঃ

(1) কেন্দ্ৰীয় কোষ আৰু জনীয় কোষ
(2) প্ৰতিমুখ কোষ আৰু কায়িক কোষ
(3) কায়িক আৰু জনন কোষ
(4) সূত্ৰাকৰ কোষ আৰু বীজৰন্ধ্ৰ কোষ

**2.** **তালিকা-I**ক **তালিকা-II**ৰ সৈতে মিলোৱা :

| **তালিকা-I**<br>**গঠনসমূহ** | **তালিকা-II**<br>**কাৰ্য্যসমূহ** |
|---|---|
| (A) সূত্ৰাকাৰ যন্ত্ৰ | (I) স্প'ৰ্‌'লেনিনেৰে গঠিত |
| (B) টেপেটাম | (II) অপৰাৰ লগত ডিম্বক সংলগ্ন হোৱা |
| (C) এঞ্জাইন | (III) পৰাগ নলীটোক সহকাৰী কোষৰ ভিতৰলৈ লৈ যোৱাৰ পথ প্ৰদৰ্শন কৰে |
| (D) ডিম্বক নাড়ী | (IV) পৰাগৰেণুবোৰক পুষ্টি যোগায় |

তলত দিয়া বিকল্পসমূহৰ পৰা সঠিক উত্তৰটো বাছনি কৰা :

(1) (A) - (IV), (B) - (I), (C) - (II), (D) - (III)
(2) (A) - (III), (B) - (IV), (C) - (I), (D) - (II)
(3) (A) - (II), (B) - (I), (C) - (III), (D) - (IV)
(4) (A) - (I), (B) - (III), (C) - (IV), (D) - (II)

**3.** প্ৰাথমিক ভ্ৰূণপোষ নিউক্লিয়াছটো তলৰ কোনটোৰ উৎপাদন হয় ?

(1) দ্বিনিষেচন
(2) ত্ৰিনিষেচন
(3) অনিষিক্ত জনন
(4) অসংগজনন (এপোমিক্সিছ)

**4.** মানুহৰ ক্ষেত্ৰত স্তন গ্ৰন্থিটো __________ খণ্ডত বিভক্ত হয়।

(1) 10 – 12
(2) 25 – 30
(3) 30 – 35
(4) 15 – 20

**5.** মানৱ ভ্ৰূণত তলৰ কোনটোৰ দ্বাৰা লিংগ নিৰ্ধাৰিত কৰা হয় ?

(1) ডিম্বাণুৰ 'X' ক্ৰম'জ'ম
(2) শুক্ৰাণুৰ 'X' বা 'Y' ক্ৰম'জ'ম
(3) শুক্ৰাণুৰ কেৱল 'Y' ক্ৰম'জ'ম
(4) মাতৃৰ স্বাস্থ্য

SPACE FOR ROUGH WORK

**6.** Arrange the following stages of oogenesis in order of their occurrence.

(A) Ovum (B) Oogonia

(C) Primary oocyte (D) Secondary oocyte

Choose the ***correct*** answer from the options given below :

(1) (C), (B), (D), (A) (2) (B), (C), (D), (A)

(3) (D), (C), (A), (B) (4) (A), (D), (C), (B)

**7.** Which of the following pair of contrasting traits was ***not*** studied by Mendel ?

(1) Pink and white flowers

(2) Inflated and constricted pods

(3) Axial and terminal flowers

(4) Green and yellow pods

**8.** Failure of chromatids to segregate during cell division cycle results in :

(1) Polyploidy (2) Euploidy

(3) Aneuploidy (4) Autopolyploidy

**9.** Select the correctly matched pair about sickle cell anaemia :

Genotype : Phenotype

(A) $Hb^A$ $Hb^A$ : Diseased phenotype

(B) $Hb^A$ $Hb^S$ : Diseased phenotype

(C) $Hb^S$ $Hb^S$ : Diseased phenotype

(D) $Hb^S$ $Hb^A$ : Carrier of disease

Choose the ***correct*** answer from the options given below :

(1) (C) and (D) only

(2) (A) and (C) only

(3) (B), (C) and (D) only

(4) (A), (B), and (C) only

SPACE FOR ROUGH WORK

6. ডিম্বাণুজননৰ পৰ্যায়বোৰ সংঘটিত হোৱাৰ ক্ৰম অনুসৰি সজোৱা

(A) ডিম্বাণু (B) অণ্ডজনি কোষ

(C) প্ৰাথমিক অণ্ডকোষ (D) দ্বিতীয়ক অণ্ডকোষ

তলত দিয়া বিকল্পসমূহৰ পৰা সঠিক উত্তৰটো বাছনি কৰা :

(1) (C), (B), (D), (A) (2) (B), (C), (D), (A)

(3) (D), (C), (A), (B) (4) (A), (D), (C), (B)

7. নিম্নলিখিত কোনটো বিপৰীত বৈশিষ্ট্যৰ যুটি মেণ্ডেলে অধ্যয়ন কৰা নাছিল ?

(1) গোলাপী আৰু বগা ফুল

(2) স্ফীত আৰু কুঞ্চিত চিৰা (ফল্)

(3) অক্ষীয় আৰু প্ৰান্তীয় ফুল

(4) সেউজীয়া আৰু হালধীয়া ৰঙৰ চিৰা (ফল)

8. কোষ বিভাজন চক্ৰৰ সময়ত ক্ৰ'মেটিডসমূহ পৃথক হ'ব নোৱাৰাৰ ফলত হয় :

(1) বহুগুণতা (2) সমগুণতা

(3) অসমগুণতা (4) স্বয়ংবহুগুণতা

9. কাঁচি কোষ ৰক্তহীনতাৰ বাবে সঠিকভাৱে মিল খোৱা যোৰটো বাছনি কৰা।

জিন'টাইপ : ফেনোটাইপ

(A) $Hb^A Hb^A$ : ৰোগৰ ফেনোটাইপ

(B) $Hb^A Hb^S$ : ৰোগৰ ফেনোটাইপ

(C) $Hb^S Hb^S$ : ৰোগৰ ফেনোটাইপ

(D) $Hb^S Hb^A$ : ৰোগৰ বাহক

তলত দিয়া বিকল্পসমূহৰ পৰা সঠিক উত্তৰটো বাছনি কৰা :

(1) কেৱল (C) আৰু (D)

(2) কেৱল (A)আৰু (C)

(3) কেৱল (B), (C)আৰু (D)

(4) কেৱল (A), (B)আৰু (C)

**10.** Match **List-I** with **List-II** :

| **List-I** **Scientists** | | **List-II** **Discovery** | |
|---|---|---|---|
| (A) | Sutton and Boveri | (I) | X-Body |
| (B) | Sturtevant | (II) | Chromosomal Theory of Inheritance |
| (C) | Henking | (III) | Transformation in bacteria |
| (D) | Griffith | (IV) | Genetic maps |

Choose the ***correct*** answer from the options given below :

(1) (A) - (II), (B) - (IV), (C) - (I), (D) - (III)

(2) (A) - (II), (B) - (I), (C) - (IV), (D) - (III)

(3) (A) - (I), (B) - (III), (C) - (II), (D) - (IV)

(4) (A) - (IV), (B) - (I), (C) - (III), (D) - (II)

**11.** Which of the following statements are ***incorrect*** with respect to nucleotides ?

(A) Purines and pyrimidines are nitrogenous bases.

(B) Nucleotides are non-enzymatic molecules.

(C) Phosphate group is linked to – OH of $5'$ C of a nucleoside through phosphoester linkage.

(D) In RNA, every nucleotide residue has an additional – OH group present at $2'$ position in the ribose.

(E) Thymine is an example of Pyrimidine.

Choose the ***correct*** answer from the options given below :

(1) (A), (B) and (E) only
(2) (D) and (E) only
(3) (B) and (D) only
(4) (B) and (E) only

**12.** Arrange the given steps of DNA fingerprinting in the sequence from initiation to end.

(A) Digestion of DNA by restriction endonuclease

(B) Isolation of DNA

(C) Hybridisation using labelled VNTR probe

(D) Transferring (blotting) of separated DNA fragments to synthetic membrane

Choose the ***correct*** answer from the options given below :

(1) (A), (B), (C), (D)
(2) (A), (D), (C), (B)
(3) (B), (A), (D), (C)
(4) (C), (A), (B), (D)

SPACE FOR ROUGH WORK

10. **তালিকা**-Iক **তালিকা**-IIৰ সৈতে মিলোৱা :

| **তালিকা**-I **বিজ্ঞানীসকল** | **তালিকা**-II **আৱিষ্কাৰ** |
|---|---|
| (A) চুটন আৰু বোভেৰি | (I) X-বডি |
| (B) ষ্টাৰ্টেভেণ্ট | (II) বংশগতিৰ ক্ৰম'জ'মীয় সঞ্চালন সুত্ৰ |
| (C) হেঙ্কিং | (III) বেক্টেৰিয়াত ৰূপান্তৰ |
| (D) গ্ৰিফিথ | (IV) জিনীয় মানচিত্ৰ |

তলত দিয়া বিকল্পসমূহৰ পৰা সঠিক উত্তৰটো বাছনি কৰা :

(1) (A) - (II), (B) - (IV), (C) - (I), (D) - (III)
(2) (A) - (II), (B) - (I), (C) - (IV), (D) - (III)
(3) (A) - (I), (B) - (III), (C) - (II), (D) - (IV)
(4) (A) - (IV), (B) - (I), (C) - (III), (D) - (II)

11. নিউক্লিয়'টাইডৰ ক্ষেত্ৰত তলৰ কোনটো উক্তি অশুদ্ধ ?

(A) পিউৰিন আৰু পাইৰিমিডিনসমূহ নাইট্ৰ'জেনযুক্ত ক্ষাৰ।
(B) নিউক্লিয়টাইডসমূহ অ-উৎসেচকীয় অণু।
(C) ফছফেট গ্ৰুপটো ফছফ'এষ্টাৰ সংযোগৰ জৰিয়তে নিউক্লিঅ'ছাইড এটাৰ 5′ C ৰ – OH ৰ সৈতে সংযুক্ত কৰা হয়।
(D) আৰ.এন.এ.-ত প্ৰতিটো নিউক্লিয়টাইডৰ অৱশিষ্টৰ ৰাইব'জৰ 2′ স্থানত এটা অতিৰিক্ত – OH গ্ৰুপ থাকে।
(E) থায়ামিন হৈছে পাইৰিমিডাইনৰ এটা উদাহৰণ।

তলত দিয়া বিকল্পসমূহৰ পৰা সঠিক উত্তৰটো বাছনি কৰা :

(1) কেৱল (A), (B) আৰু (E)
(2) কেৱল (D) আৰু (E)
(3) কেৱল (B) আৰু (D)
(4) কেৱল (B) আৰু (E)

12. আৰম্ভণিৰ পৰা শেষলৈকে ক্ৰম অনুসৰি ডি. এন. এ ফিংগাৰপ্ৰিণ্টিঙৰ পৰ্যায়বোৰ সজোৱা।

(A) ৰেষ্ট্ৰিকচন এণ্ড'নিউক্লিজৰদ্বাৰা ডি.এন.এ.-ৰ পাচন।
(B) ডি.এন.এ.-ৰ পৃথকীকৰণ।
(C) লেবেলযুক্ত ভি.এন.টি. আৰু (VNTR ) প্ৰোব ব্যৱহাৰ কৰি সংকৰণ কৰা।
(D) পৃথক কৰা ডি.এন.এ.-ৰ টুকুৰাবোৰ সংশ্লেষিত আৱৰণলৈ ব্লটিঙ কৰা।

তলত দিয়া বিকল্পসমূহৰ পৰা সঠিক উত্তৰটো বাছনি কৰা :

(1) (A), (B), (C), (D)
(2) (A), (D), (C), (B)
(3) (B), (A), (D), (C)
(4) (C), (A), (B), (D)

**SPACE FOR ROUGH WORK**

**13.** Nucleosome is associated with _______ molecules of histones.

(1) Four

(2) Nine

(3) Two

(4) Eight

**14.** Select the observations drawn from the human genome project which are correct.

(A) The human genome contains 3164.7 million bp.

(B) The average gene consists of 3000 bases.

(C) Total number of genes is estimated at 30,000.

(D) The functions are unknown for over 50% of discovered genes.

(E) Less than 2% of the genome codes for proteins.

Choose the ***correct*** answer from the options given below :

(1) (A), (B), (C) and (D) only

(2) (A), (C), (D) and (E) only

(3) (A), (C) and (E) only

(4) (A), (B), (C), (D) and (E)

**15.** Analogous structures are a result of :

(1) Convergent evolution

(2) Divergent evolution

(3) Parallel evolution

(4) Retrogressive evolution

**16.** Which of the following does ***not*** affect the Hardy-Weinberg equilibrium ?

(1) Natural selection

(2) Genetic drift

(3) Gene pool

(4) Gene migration

**17.** Which of the following primates was more like an ape ?

(1) *Homo erectus*

(2) *Dryopithecus*

(3) *Australopithecines*

(4) *Ramapithecus*

---

**SPACE FOR ROUGH WORK**

13. নিউক্লিঅ'ছ'মটো হিষ্ট'নৰ __________ টা অণুৰ সৈতে জড়িত।

(1) চাৰিটা

(2) নটা

(3) দুটা

(4) আঠটা

14. মানৱ জিন'ম প্ৰকল্পৰ পৰা লোৱা সঠিক পৰ্যবেক্ষণসমূহ বাছনি কৰা।

(A) মানৱ জিন 'মত 3164.7 মিলিয়ন যোৰ-ক্ষাৰক থাকে।

(B) প্ৰতিটো জিনত গড়ে 3000 ক্ষাৰক থাকে।

(C) মুঠ জিনৰ সংখ্যা 30,000 বুলি ধৰা হৈছে।

(D) আৱিষ্কৃত জিনসমূহৰ 50 শতাংশতকৈয়ো অধিকৰ বাবে কাৰ্য্যসমূহ অজ্ঞাত।

(E) জিনোমৰ 2 শতাংশতকৈয়ো কমেইহে প্ৰ'টিনৰ কোড (সংকেতিত) কৰে।

তলত দিয়া বিকল্পসমূহৰ পৰা সঠিক উত্তৰটো বাছনি কৰা :

(1) কেৱল (A), (B), ( C) আৰু (D)

(2) কেৱল (A), (C), (D) আৰু (E)

(3) কেৱল (A), (C) আৰু (E)

(4) (A), (B), (C), (D) আৰু (E)

15. সমবৃত্তিক বা সদৃশ গঠনবোৰ তলৰ কোনটোৰ ফলত হয় ?

(1) অভিসাৰী ক্ৰমবিকাশ

(2) অপসাৰী ক্ৰমবিকাশ

(3) সমান্তৰাল ক্ৰমবিকাশ

(4) প্ৰত্যাগামী বা প্ৰতিক্ৰমী ক্ৰমবিকাশ

16. নিম্নলিখিত কোনটোৱে হাৰ্ডি-ৱেইনবাৰ্গৰ সাম্যাৱস্থাত প্ৰভাৱ পেলাব নোৱাৰে ?

(1) প্ৰাকৃতিক নিৰ্বাচন

(2) জিনীয় অপসৰণ (ড্ৰিফ্ট)

(3) জিন পুল

(4) জিন প্ৰব্ৰজন

17. তলৰ কোনটো প্ৰাইমেট বনমানুহ (Ape) সদৃশ আছিল ?

(1) *হোমো এৰেক্টাছ*

(2) *ড্ৰায়'পিথেকাছ*

(3) *অষ্ট্ৰেলোপাইথেচিনছ*

(4) *ৰামাপিথেকাছ*

SPACE FOR ROUGH WORK

**18.** Match **List-I** with **List-II** :

| List-I<br>Placental mammals | | List-II<br>Counterpart Marsupials | |
|---|---|---|---|
| (A) | Anteater | (I) | Spotted cuscus |
| (B) | Bobcat | (II) | Numbat |
| (C) | Lemur | (III) | Flying Phalanger |
| (D) | Flying squirrel | (IV) | Tasmanian tiger cat |

Choose the ***correct*** answer from the options given below :

(1) (A) - (II), (B) - (IV), (C) - (I), (D) - (III)

(2) (A) - (II), (B) - (I), (C) - (IV), (D) - (III)

(3) (A) - (IV), (B) - (I), (C) - (II), (D) - (III)

(4) (A) - (IV), (B) - (I), (C) - (III), (D) - (II)

**19.** Identify the ***incorrect*** statement/s :

(A) Intestinal perforation and death may occur in severe cases of typhoid infection.

(B) Common cold is caused by Rhinoviruses.

(C) Lips and fingernails may turn grey to bluish colour in severe cases of pneumonia.

(D) Pneumonia is caused by *Salmonella*.

(E) Typhoid fever could be confirmed by Widal test.

Choose the answer from the options given below :

(1) (A), (C) and (D) only

(2) (B) and (E) only

(3) (D) only

(4) (A) and (D) only

**20.** Match **List-I** with **List-II** :

| List-I<br>Types of barriers | | List-II<br>Examples | |
|---|---|---|---|
| (A) | Cytokine barriers | (I) | Mucus coating |
| (B) | Physical barriers | (II) | Tears from eyes |
| (C) | Cellular barriers | (III) | Phagocytosis |
| (D) | Physiological barriers | (IV) | Interferons |

Choose the ***correct*** answer from the options given below :

(1) (A) - (IV), (B) - (III), (C) - (I), (D) - (II)

(2) (A) - (II), (B) - (IV), (C) - (III), (D) - (I)

(3) (A) - (II), (B) - (I), (C) - (IV), (D) - (III)

(4) (A) - (IV), (B) - (I), (C) - (III), (D) - (II)

**SPACE FOR ROUGH WORK**

**18.** **তালিকা-I**ক **তালিকা-II**ৰ সৈতে মিলোৱা :

| **তালিকা-I**<br>**অমৰাযুক্ত স্তন্যপায়ী প্ৰাণী** | **তালিকা-II**<br>**পূৰক (কাৰ্উণ্টাৰপাৰ্ট) মাৰ্চুপিয়েলছ** |
|---|---|
| (A) পৰুৱা-ঘাতক | (I) দাগযুক্ত (স্প্টেড্) কস্কাছ |
| (B) বনমেকুৰী | (II) নুম্বাট |
| (C) লেমুৰ | (III) উৰণীয়া ফেলেঞ্জাৰ |
| (D) উৰণীয়া কেৰ্কেটুৱা | (IV) তাচমানীয় বাঘমেকুৰী |

তলত দিয়া বিকল্পসমূহৰ পৰা সঠিক উত্তৰটো বাছনি কৰা :

(1) (A) - (II), (B) - (IV), (C) - (I), (D) - (III)
(2) (A) - (II), (B) - (I), (C) - (IV), (D) - (III)
(3) (A) - (IV), (B) - (I), (C) - (II), (D) - (III)
(4) (A) - (IV), (B) - (I), (C) - (III), (D) - (II)

**19.** অশুদ্ধ উক্তিবোৰ চিনাক্ত কৰা।

(A) টাইফয়েডৰ গুৰুতৰ সংক্ৰমণৰ ফলত অন্ত্ৰৰ ছিদ্ৰ আৰু মৃত্যু হ'ব পাৰে।
(B) সাধাৰণ পানীলগা ৰাইনো ভাইৰাছৰ ফলত হয়।
(C) নিউমোনিয়াৰ গুৰুতৰ সংক্ৰমণত ওঁঠ আৰু আঙুলিৰ নখবোৰ ধূসৰৰ পৰা নীলা ৰঙলৈ সলনি হ'ব পাৰে।
(D) চেলমোনেলা (*Salmonella*)ৰ ফলত নিউমোনিয়া হয়।
(E) টাইফয়েড জ্বৰ ৱাইডাল পৰীক্ষাৰ দ্বাৰা নিশ্চিত কৰিব পাৰি।

তলত দিয়া বিকল্পসমূহৰ পৰা সঠিক উত্তৰটো বাছনি কৰা :

(1) কেৱল (A), (C) আৰু (D)
(2) কেৱল (B) আৰু (E)
(3) কেৱল (D)
(4) কেৱল (A) আৰু (D)

**20.** **তালিকা-I**ক **তালিকা-II**ৰ সৈতে মিলোৱা :

| **তালিকা-I**<br>**প্ৰতিবন্ধকৰ প্ৰকাৰসমূহ** | **তালিকা-II**<br>**উদাহৰণ** |
|---|---|
| (A) চাইটোকিন প্ৰতিবন্ধক | (I) শ্লেষ্মা আৱৰণ |
| (B) শাৰীৰিক প্ৰতিবন্ধক | (II) চকুৰ পৰা চকুপানী |
| (C) কোষীয় প্ৰতিবন্ধক | (III) ফেগ 'চাইট' ছিছ (কোষীয় ভক্ষণ্) |
| (D) শৰীৰতত্বীয় প্ৰতিবন্ধক | (IV) ইণ্টাৰফেৰনছ |

তলত দিয়া বিকল্পসমূহৰ পৰা সঠিক উত্তৰটো বাছনি কৰা :

(1) (A) - (IV), (B) - (III), (C) - (I), (D) - (II)
(2) (A) - (II), (B) - (IV), (C) - (III), (D) - (I)
(3) (A) - (II), (B) - (I), (C) - (IV), (D) - (III)
(4) (A) - (IV), (B) - (I), (C) - (III), (D) - (II)

SPACE FOR ROUGH WORK

**21.** Smack is chemically :

(1) Diacetyl morphine (2) Cocaine

(3) Benzodiazepine (4) Amphetamine

**22.** Antibodies are secreted by :

(1) T-Cells (2) B-Cells

(3) α-Cells (4) β-Cells

**23.** In sewage treatment, flocs are :

(1) the solids that settle during sedimentation.

(2) the supernatant that is formed above the primary sludge.

(3) the masses of bacteria associated with fungal filaments.

(4) the bacteria which grow anaerobically and are also called anaerobic sludge digesters.

**24.** Match **List-I** with **List-II** :

| **List-I** **Products** | | **List-II** **Organisms** | |
|---|---|---|---|
| (A) | Statin | (I) | *Streptococcus* |
| (B) | Clot buster | (II) | *Trichoderma* |
| (C) | Swiss cheese | (III) | *Monascus* |
| (D) | Cyclosporin-A | (IV) | *Propionibacterium* |

Choose the ***correct*** answer from the options given below :

(1) (A) - (II), (B) - (I), (C) - (IV), (D) - (III)

(2) (A) - (III), (B) - (I), (C) - (IV), (D) - (II)

(3) (A) - (III), (B) - (IV), (C) - (II), (D) - (I)

(4) (A) - (II), (B) - (III), (C) - (I), (D) - (IV)

**25.** The beetle used as a biocontrol agent for aphids and mosquitoes is :

(1) *Trichoderma* (2) Dragonflies

(3) Ladybird (4) Silver fish

**26.** Downstream processing method involves :

(1) Identification (2) Amplification

(3) Fermentation (4) Purification

**SPACE FOR ROUGH WORK**

**21.** স্মেক ৰাসায়নিকভাৱে হৈছে :

(1) ডায়েচিটিল মৰ্ফিন (2) কোকেইন

(3) বেঞ্জোডায়াজেপাইন (4) এম্ফেটামাইনছ

**22.** এণ্টিবডীবোৰ কোনটোৰ দ্বাৰা ক্ষৰিত হয় -

(1) T-কোষ (2) **B**-কোষ (3) $\alpha$-কোষ (4) $\beta$-কোষ

**23.** ফ্লকবোৰ হৈছে (নৰ্দমাৰ জল পৰিশোধনৰ ক্ষেত্ৰত) :

(1) অৱক্ষেপণৰ সময়ত স্থিৰ হোৱা গোটা পদাৰ্থবোৰ

(2) প্ৰাথমিক স্লাজৰ ওপৰত সৃষ্টি হোৱা পৃষ্ঠপ্লৱ

(3) ভেঁকুৰৰ সূত্ৰসমূহৰ সৈতে জড়িত বেক্টেৰিয়াৰ ভৰ

(4) বেক্টেৰিয়া, যিবোৰ বায়ুহীনভাৱে বৃদ্ধি হয় আৰু ইয়াক অবাত স্লাজ ডাইজেষ্টাৰ বুলিও কোৱা হয়

**24.** **তালিকা**-Iক **তালিকা**-IIৰ সৈতে মিলোৱা :

| **তালিকা**-I<br>**উৎপাদিত সামগ্ৰীসমূহ** | **তালিকা**-II<br>**জীৱসমূহ** |
|---|---|
| (A) ষ্টেটিন। | (I) *ষ্ট্ৰেপ্টোকোকাছ* |
| (B) ক্লট বাষ্টাৰ | (II) *ট্ৰাইক'ডাৰ্মা* |
| (C) ছুইচ চীজ | (III) *মনাস্কছ* |
| (D) চাইক্লস্প'ৰিন-A | (IV) *প্ৰপিয়নিবেক্টেৰিয়াম* |

তলত দিয়া বিকল্পসমূহৰ পৰা সঠিক উত্তৰটো বাছনি কৰা :

(1) (A) - (II), (B) - (I), (C) - (IV), (D) - (III)

(2) (A) - (III), (B) - (I), (C) - (IV), (D) - (II)

(3) (A) - (III), (B) - (IV), (C) - (II), (D) - (I)

(4) (A) - (II), (B) - (III), (C) - (I), (D) - (IV)

**25.** এফিড আৰু মহৰ বাবে জৈৱ নিয়ন্ত্ৰণ কাৰক (এজেণ্ট) হিচাপে ব্যৱহৃত গুৱৰুৱাটো হ'ল ?

(1) *ট্ৰাইক'ডাৰ্মা* (2) ড্ৰেগনফ্লাই (জিয়াঁ)

(3) লেডিবাৰ্ড (সোনপৰুৱা) (4) চিলভাৰ মাছ

**26.** ভটিয়নী প্ৰক্ৰিয়াকৰণ পদ্ধতিত অন্তৰ্ভুক্ত থাকে :

(1) চিনাক্তকৰণ (2) সংবৰ্ধন (3) কিণ্বন (4) শোধন

---

**SPACE FOR ROUGH WORK**

**27.** Which of the following is ***not*** the correctly matched pair of organism and its respective cell wall degrading enzyme ?

(1) Fungi – Chitinase
(2) Algae – Methylase
(3) Plant cells – Cellulase
(4) Bacteria – Lysozyme

**28.** Arrange the following steps involved in transformation of bacteria in a sequence from initiation to end.

(A) Incubation of rDNA with bacterial cell on ice
(B) Treatment with divalent cations
(C) Heat shock treatment
(D) Selection on antibiotic containing agar plate
(E) Placed them again on ice

Choose the ***correct*** answer from the options given below :

(1) (A), (B), (D), (C), (E)
(2) (B), (A), (C), (E), (D)
(3) (B), (C), (D), (A), (E)
(4) (A), (C), (B), (D), (E)

**29.** Which of the following statements are ***incorrect*** ?

(A) Fragments of DNA can be separated by ELISA.
(B) Transformation is a procedure through which a piece of DNA is introduced in a host bacterium.
(C) Recombinant DNA technology does not involve isolation of a desired DNA fragment.
(D) DNA ligases are used for stitching DNA fragments into a vector.

Choose the answer from the options given below :

(1) (A) and (C) only
(2) (A) and (B) only
(3) (B) and (C) only
(4) (A), (C) and (D) only

**30.** Which of the following statements are ***true*** ?

(A) Milk obtained from 'Rosie' is nutritionally more balanced for human babies than natural human milk.
(B) Biopiracy refers to the use of bioresources without proper authorisation from MNCs.
(C) GEAC is the decisive body for safety and validity of GMOs and GM research respectively.
(D) Transgenic animals help us to understand the contribution of genes in the development of disease.

Choose the ***correct*** answer from the options given below :

(1) (A) and (C) only
(2) (C) and (D) only
(3) (A) and (D) only
(4) (B) and (C) only

---

**SPACE FOR ROUGH WORK**

27. জীৱ আৰু ইয়াৰ কোষবেৰ ক্ষয় কৰা উৎসেচকৰ মাজৰ যোৰবোৰৰ তলৰ কোনটো সঠিকভাৱে মিল নথকা ?

(1) ভেঁকুৰ-চিটিনেজ
(2) শৈবাল-মিথাইলেজ
(3) উদ্ভিদ কোষ-চেলুলেজ
(4) বেক্টেৰিয়া-লাইচ'জাইম

28. বেক্টেৰিয়াৰ ৰূপান্তৰৰ সৈতে জড়িত পৰ্যায়বোৰ আৰম্ভণিৰ পৰা শেষলৈকে ক্ৰমত সজোৱা।

(A) বৰফৰ ওপৰত বেক্টেৰিয়া কোষৰ সৈতে rDNA-ৰ উষ্মায়ন।
(B) দ্বিযোজী কেটায়নৰ সৈতে উপচাৰ।
(C) তাপ প্ৰঘাত (হিট শ্বক) উপচাৰ।
(D) এন্টিবায়টিকযুক্ত আগৰু (agar) প্লেটত নিৰ্বাচন কৰা।
(E) সেইবোৰ পুনৰ বৰফৰ ওপৰত ৰখা হয়।

তলত দিয়া বিকল্পসমূহৰ পৰা সঠিক উত্তৰটো বাছনি কৰা :

(1) (A), (B), (D), (C), (E)
(2) (B), (A), (C), (E), (D)
(3) (B), (C), (D), (A), (E)
(4) (A), (C), (B), (D), (E)

29. তলৰ কোনবোৰ উক্তি অশুদ্ধ ?

(A) ডি. এন. এ.-ৰ খণ্ডবোৰ এলিছা (ELISA) ৰ দ্বাৰা পৃথক কৰিব পাৰি।
(B) ৰূপান্তৰ হৈছে এনে এক প্ৰক্ৰিয়া যাৰ জৰিয়তে পোষক বেক্টেৰিয়াত ডি.এন.এ.-ৰ টুকুৰা প্ৰৱেশ কৰা হয়।
(C) পুনৰ সংযোজনশীল ডি.এন.এ. প্ৰযুক্তিত আকাংক্ষিত ডি.এন.এ. খণ্ডৰ পৃথকীকৰণ জড়িত নহয়।
(D) ডি.এন.এ. খণ্ডক জোৰা লগাই ভেক্টৰত ব্যৱহাৰ কৰিবলৈ ডি.এন.এ. লাইগেজবোৰক ব্যৱহাৰ কৰা হয়।

তলত দিয়া বিকল্পসমূহৰ পৰা সঠিক উত্তৰটো বাছনি কৰা :

(1) কেৱল (A) আৰু (C)
(2) কেৱল (A) আৰু (B)
(3) কেৱল (B) আৰু (C)
(4) কেৱল (A), (C) আৰু (D)

30. তলৰ কোনবোৰ উক্তি সঁচা ?

(A) 'ৰোজি' ৰ পৰা প্ৰাপ্ত গাখীৰ মানৱ শিশুৰ বাবে প্ৰাকৃতিক মানৱ গাখীৰতকৈ পুষ্টিগতভাৱে অধিক সন্তুলিত।
(B) জৈৱ পাইৰেচিৰ (চুৰি) অৰ্থ হৈছে এম. এন. চি.(MNC)ৰ পৰা সঠিক অনুমোদন অবিহনে জৈৱ-সম্পদৰ ব্যৱহাৰ।
(C) জি. ই. এ. চি. (GEAC) হৈছে . GM গৱেষণা আৰু GMOৰ সুৰক্ষা আৰু বৈধতাৰ বাবে নিৰ্ণায়ক সংস্থা।
(D) ট্ৰেন্সজেনিক প্ৰাণীয়ে ৰোগৰ বিকাশত জিনৰ অৱদান বুজিবলৈ আমাক সহায় কৰে।

তলত দিয়া বিকল্পসমূহৰ পৰা সঠিক উত্তৰটো বাছনি কৰা :

(1) কেৱল (A) আৰু (C)
(2) কেৱল (C) আৰু (D)
(3) কেৱল (A) আৰু (D)
(4) কেৱল (B) আৰু (C)

---

**SPACE FOR ROUGH WORK**

**31.** Match **List-I** with **List-II** :

| **List-I**<br>**Transgene** | | **List-II**<br>**Used for/Products** | |
|---|---|---|---|
| (A) | α-1-antitrypsin | (I) | *Meloidegyne incognitia* |
| (B) | *cryIAc* | (II) | Corn borer |
| (C) | Antisense RNA | (III) | Treat emphysema |
| (D) | *cryIAb* | (IV) | Cotton bollworms |

Choose the ***correct*** answer from the options given below :

(1) (A) - (III), (B) - (IV), (C) - (I), (D) - (II)

(2) (A) - (I), (B) - (II), (C) - (III), (D) - (IV)

(3) (A) - (III), (B) - (II), (C) - (I), (D) - (IV)

(4) (A) - (I), (B) - (IV), (C) - (III), (D) - (II)

**32.** Expand "GEAC" :

(1) Genetic and Environmental Advisory Committee

(2) Gene Establisment Approval Committee

(3) Genetic Engineering Advisory Committee

(4) Genetic Engineering Approval Committee

**33.** When an insect feeds on the *Bt* plant, the insect dies due to the conversion of inactive protein to active protein in :

(1) Alkaline pH of the gut.

(2) Acidic pH of the gut.

(3) Acidic pH of saliva.

(4) Alkaline pH of saliva.

---

**SPACE FOR ROUGH WORK**

**31.** **তালিকা-I**ক **তালিকা-II**ৰ সৈতে মিলোৱা :

| **তালিকা-I**<br>**ট্ৰেন্সজিন** | **তালিকা-II**<br>**সামগ্ৰী/ধৰণ ব্যৱহৃত** |
|---|---|
| (A) α-1-এন্টিট্ৰিপচিন | (I) *মেলোইডেজিন ইনকগনিচিয়া* |
| (B) *cryIAc* | (II) গোমধান বিন্ধোৱা পোক |
| (C) এণ্টিচেঞ্চ RNA | (III) এম্ফিচিমা চিকিৎসা |
| (D) *cryIAb* | (IV) কপাহৰ গোলকৃমি |

তলত দিয়া বিকল্পসমূহৰ পৰা সঠিক উত্তৰটো বাছনি কৰা :

(1) (A) - (III), (B) - (IV), (C) - (I), (D) - (II)

(2) (A) - (I), (B) - (II), (C) - (III), (D) - (IV)

(3) (A) - (III), (B) - (II), (C) - (I), (D) - (IV)

(4) (A) - (I), (B) - (IV), (C) - (III), (D) - (II)

**32.** "GEAC"ৰ সম্পূৰ্ণ ৰূপটো হৈছে

(1) জেনেটিক আৰু পৰিৱেশ পৰামৰ্শদাতা সমিতি

(2) জিনীয় প্ৰতিষ্ঠা অনুমোদন সমিতি

(3) জেনেটিক ইঞ্জিনিয়াৰিং এডভাইজাৰী কমিটি

(4) জেনেটিক ইঞ্জিনিয়াৰিং অনুমোদন সমিতি

**33.** যেতিয়া এটা পতংগই জিনীয় ভাবে ৰূপান্তৰিত বি.টি. *(Bt)* উদ্ভিদৰ খাদ্য গ্ৰহণ কৰে, তেতিয়া তলৰ কোন অৱস্থাত নিষ্ক্ৰিয় প্ৰ'টিন সক্ৰিয় প্ৰ'টিনলৈ ৰূপান্তৰিত হোৱাৰ ফলত পতংগটোৰ মৃত্যু হয় ?

(1) অন্ত্ৰত ক্ষাৰকীয় pH

(2) অন্ত্ৰত অম্লীয় pH

(3) লালটিৰ অম্লীয় pH

(4) লালটিৰ ক্ষাৰকীয় pH

**34.** Match **List-I** with **List-II** :

| **List-I** **Interspecies Relationships** | | **List-II** **Features** | |
|---|---|---|---|
| (A) | Commensalism | (I) | One species is benefitted at the expense of the other |
| (B) | Mutualism | (II) | One species is harmed and the other is unaffected |
| (C) | Amensalism | (III) | Both the species are benefitted |
| (D) | Parasitism | (IV) | One species benefits and other remains unaffected |

Choose the ***correct*** answer from the options given below :

(1) (A) - (I), (B) - (II), (C) - (III), (D) - (IV)
(2) (A) - (IV), (B) - (III), (C) - (II), (D) - (I)
(3) (A) - (II), (B) - (I), (C) - (III), (D) - (IV)
(4) (A) - (III), (B) - (IV), (C) - (I), (D) - (II)

**35.** In a country, at any time, the population has the same number of youngs and mature ones. What type of growth does it reflect ?

(1) Expanding (2) Declining (3) Stable (4) S-shaped

**36.** Two closely related species can co-exist indefinitely and violate the Gause's '*Competitive Exclusion Principle*' by :

(1) eliminating the inferior species.
(2) resource partitioning.
(3) interacting with each other symbiotically.
(4) changing the area of grazing.

**37.** The process of mineralisation by microorganisms helps in the release of :

(1) inorganic nutrients from detritus and formation of humus.
(2) organic nutrients from humus.
(3) inorganic nutrients from humus.
(4) organic and inorganic nutrients from detritus.

**38.** In which ecosystem is the biomass of primary consumers greater than producers ?

(1) Forests (2) Grassland (3) Desert (4) Sea

**SPACE FOR ROUGH WORK**

34. **তালিকা-I**ক **তালিকা-II**ৰ সৈতে মিলোৱা :

| | **তালিকা-I**<br>**আন্তঃপ্ৰজাতি সম্পৰ্ক** | | **তালিকা-II**<br>**বৈশিষ্ট্যসমূহ** |
|---|---|---|---|
| (A) | সহভোজিতা | (I) | এটা প্ৰজাতিয়ে আন এটা প্ৰজাতিৰ ক্ষতি কৰি লাভান্বিত হয় |
| (B) | সহোপকাৰিতা | (II) | এটা প্ৰজাতিৰ ক্ষতি হয় আৰু আনটোৰ ক্ষতি নহয় |
| (C) | অসহজীৱিতা | (III) | দুয়োটা প্ৰজাতিয়ে লাভান্বিত হয় |
| (D) | পৰজীৱিতা | (IV) | এটা প্ৰজাতিৰ উপকাৰ হয় আৰু আনটো প্ৰভাৱিত নহয় |

তলত দিয়া বিকল্পসমূহৰ পৰা সঠিক উত্তৰটো বাছনি কৰা :

(1) (A) - (I), (B) - (II), (C) - (III), (D) - (IV)
(2) (A) - (IV), (B) - (III), (C) - (II), (D) - (I)
(3) (A) - (II), (B) - (I), (C) - (III), (D) - (IV)
(4) (A) - (III), (B) - (IV), (C) - (I), (D) - (II)

35. এখন দেশত যিকোনো সময়তে এটা আৱাদীৰ যুৱক-যুৱতী আৰু প্ৰৌঢ় লোকৰ সংখ্যা একে। ই কি ধৰণৰ বৃদ্ধিক প্ৰতিফলিত কৰে ?

(1) সম্প্ৰসাৰিত
(2) হ্ৰাসাত্মক
(3) সুস্থিৰ
(4) S-আকৃতিৰ

36. দুটা ঘনিষ্ঠ ভাৱে সম্পৰ্কিত প্ৰজাতি অনিৰ্দিষ্টকালৰ বাবে সহ-অস্তিত্বত থাকিব পাৰে আৰু 'গ'চৰ' প্ৰতিযোগিতামূলক বহিষ্কৰণ নীতি' ভংগ কৰিব পাৰে তলৰ কোনটোৰ দ্বাৰা ?

(1) নিম্ন প্ৰজাতিবোৰ আঁতৰোৱা
(2) সম্পদ বিভাজন কৰি
(3) পৰস্পৰে পৰস্পৰৰ সৈতে সহজীৱীভাৱে ক্ৰিয়া-প্ৰতিক্ৰিয়া কৰি
(4) চৰণীয়া পথাৰৰ পৰিৱৰ্তন কৰি

37. অণুজীৱৰ দ্বাৰা খনিজীভৱন প্ৰক্ৰিয়াটোৱে তলৰ কোনটোৰ মুক্তিত সহায় কৰে ?

(1) অপৰদৰ পৰা অজৈব পুষ্টি আৰু হিউমাছৰ গঠন
(2) হিউমাছৰ পৰা জৈৱিক পুষ্টিদ্ৰ্ৰ্য
(3) হিউমাছৰ পৰা অজৈব পুষ্টিদ্ৰ্ৰ্য
(4) অপৰদৰ পৰা জৈৱিক আৰু অজৈব পুষ্টিদ্ৰ্ৰ্য

38. কোনটো পৰিস্থিতিতন্ত্ৰত প্ৰাথমিক উপভোক্তাৰ জৈৱ-পদাৰ্থ ( biomass ) উৎপাদকতকৈ অধিক ?

(1) অৰণ্য
(2) তৃণভূমি
(3) মৰুভূমি
(4) সাগৰ

SPACE FOR ROUGH WORK

**39.** Choose the correct statements with respect to decomposition from the following :

(A) Decomposition is an anaerobic process.

(B) Decomposition rate of detritus depends upon the chemical nature of it.

(C) Water-soluble organic nutrients go into the soil and get precipitated in the process of leaching.

(D) Humification follows mineralisation.

Choose the ***correct*** answer from the options given below :

(1) (B) and (D) only
(2) (A) and (C) only
(3) (B) and (C) only
(4) (A) and (D) only

**40.** Match **List-I** with **List-II** :

| **List-I** **Concepts** | **List-II** **Explanation** |
|---|---|
| (A) Standing state | (I) Available biomass for the consumption of heterotrophs |
| (B) Secondary productivity | (II) Rate of formation of organic matter by consumers |
| (C) Standing crop | (III) Mass of living matter in a trophic level at a given time |
| (D) Net primary productivity | (IV) Amount of mineral nutrients in the soil at a given time |

Choose the ***correct*** answer from the options given below :

(1) (A) - (IV), (B) - (III), (C) - (II), (D) - (I)
(2) (A) - (I), (B) - (II), (C) - (III), (D) - (IV)
(3) (A) - (IV), (B) - (II), (C) - (III), (D) - (I)
(4) (A) - (I), (B) - (IV), (C) - (II), (D) - (III)

**Read the passage carefully and give the answer to the next five questions :**

India was amongst the first countries in the world to initiate action plans and programmes at a national level to attain total reproductive health as a social goal. These programmes called ‘family planning’ were initiated in 1951 and were periodically assessed over the past decades. Improved programmes covering wider reproduction-related areas are currently in operation. Creating awareness among the people about various reproduction-related aspects and providing facilities and support for building up a reproductively healthy society are the major tasks under these programmes.

**41.** Which of the following is ***not*** a Sexually Transmitted Disease ?

(1) Chlamydiasis
(2) Filariasis
(3) Genital herpes
(4) Trichomoniasis

**39.** নিম্নলিখিতবোৰৰ পৰা পচনৰ সন্দৰ্ভত সঠিক উক্তি বোৰ বাছনি কৰা :

(A) পচন (বিযোজন) হৈছে এক অবাত প্ৰক্ৰিয়া।

(B) অপৰদৰ পচনৰ হাৰ ইয়াৰ ৰাসায়নিক প্ৰকৃতিৰ ওপৰত নিৰ্ভৰ কৰে।

(C) পানীত দ্ৰৱণীয় জৈৱিক পুষ্টিদ্ৰব্যবোৰ মাটিত প্ৰৱেশ কৰে আৰু নিক্ষালন প্ৰক্ৰিয়াৰ সময়ত অধ:ক্ষেপিত হৈ পৰে।

(D) খনিজীভৱনৰ পিছত আৰ্দ্ৰভৱনৰ সৃষ্টি হয়।

তলত দিয়া বিকল্পসমূহৰ পৰা সঠিক উত্তৰটো বাছনি কৰা :

(1) কেৱল (B) আৰু (D)
(2) কেৱল (A) আৰু (C)
(3) কেৱল (B) আৰু (C)
(4) কেৱল (A) আৰু (D)

**40.** **তালিকা-I**ক **তালিকা-II**ৰ সৈতে মিলোৱা :

| **তালিকা-I**<br>**ধাৰণাসমূহ** | **তালিকা-II**<br>**ব্যাখ্যা** |
|---|---|
| (A) স্টেণ্ডিং বা স্তালু অৱস্থা | (I) পৰপোষীসমূহৰ উপভোগৰ বাবে উপলভ্য জৈৱ-ভৰ (বায়'মাচ) |
| (B) গৌণ উৎপাদকতা | (II) উপভোক্তাৰ দ্বাৰা জৈৱিক পদাৰ্থৰ গঠনৰ হাৰ |
| (C) স্টেণ্ডিং বা স্থিত শস্য | (III) এটা নিৰ্দিষ্ট সময়ত পোষ্টিক স্তৰত জীৱিত পদাৰ্থৰ ভৰ |
| (D) বিশুদ্ধ প্ৰাথমিক উৎপাদকতা | (IV) এটা নিৰ্দিষ্ট সময়ত মাটিত থকা খনিজ পুষ্টিদ্ৰব্যৰ পৰিমাণ |

তলত দিয়া বিকল্পসমূহৰ পৰা সঠিক উত্তৰটো বাছনি কৰা :

(1) (A) - (IV), (B) - (III), (C) - (II), (D) - (I)
(2) (A) - (I), (B) - (II), (C) - (III), (D) - (IV)
(3) (A) - (IV), (B) - (II), (C) - (III), (D) - (I)
(4) (A) - (I), (B) - (IV), (C) - (II), (D) - (III)

**দফাটো মনোযোগেৰে পঢ়া আৰু পৰৱৰ্তী পাঁচটা প্ৰশ্নৰ উত্তৰ দিয়া :**

সামাজিক লক্ষ্য হিচাপে সম্পূৰ্ণ প্ৰজনন সুস্বাস্থ্য প্ৰাপ্ত কৰাৰ বাবে ৰাষ্ট্ৰীয় পৰ্যায়ত পৰিকল্পনা আৰু কাৰ্যসূচী আৰম্ভ কৰা বিশ্বৰ প্ৰথম দেশসমূহৰ ভিতৰত ভাৰতো আছিল । 'পৰিয়াল পৰিকল্পনা' নামৰ এই কাৰ্যসূচীসমূহ 1951 চনত আৰম্ভ কৰা হৈছিল আৰু বিগত দশকবোৰত সময়ে সময়ে মূল্যায়ন কৰা হৈছিল । বৰ্তমান প্ৰজনন সম্পৰ্কীয় বিস্তৃত ক্ষেত্ৰসমূহক সামৰি লোৱা উন্নত কাৰ্যসূচীসমূহ কাৰ্যক্ষম হৈ আছে । প্ৰজনন সম্পৰ্কীয় বিভিন্ন দিশৰ বিষয়ে জনসাধাৰণৰ মাজত সজাগতা সৃষ্টি কৰা আৰু প্ৰজননৰ দিশত সুস্থ সমাজ গঢ়ি তোলাৰ বাবে সৰ্ব-সুবিধা আৰু সমৰ্থন প্ৰদান কৰাটো এই কাৰ্যসূচীসমূহৰ অধীনত ৰূপায়ন কৰা মুখ্য কাম।

**41.** তলৰ কোনটো যৌন সংক্ৰমিত ৰোগ নহয় ?

(1) ক্লেমিডিয়াছিছ
(2) ফাইলেৰিয়াছিছ (গোধ ৰোগ)
(3) জনানংগৰ হাৰ্পিচ
(4) ট্ৰাইক'ম' নিয়াছিছ

SPACE FOR ROUGH WORK

**42.** Which of the following statements is ***incorrect*** with respect to Medical Termination of Pregnancy ?

(1) They are considered safe during the first trimester.

(2) It is legalised in India from 1971.

(3) MTPs can be performed even after 24 weeks, but with the opinion of 2 registered medical practitioners on specific grounds.

(4) About 20% of the total number of conceived pregancies undergo MTP in a year globally.

**43.** Match **List-I** with **List-II** :

| **List-I**<br>**Various Assisted Reproductive Technologies** | **List-II**<br>**Process Involved** |
|---|---|
| (A) ZIFT | (I) Formation of embryo *in vitro* by injecting sperm directly into ovum |
| (B) ICSI | (II) Transferring of embryo with more than 8 blastomeres into the uterus |
| (C) IUI | (III) Transferring of fertilised egg up to 8 blastomeres into fallopian tube |
| (D) IUT | (IV) Transfer of semen from a healthy donor into the uterus artificially |

Choose the ***correct*** answer from the options given below :

(1) (A) - (III), (B) - (I), (C) - (II), (D) - (IV)
(2) (A) - (III), (B) - (I), (C) - (IV), (D) - (II)
(3) (A) - (II), (B) - (III), (C) - (IV), (D) - (I)
(4) (A) - (IV), (B) - (III), (C) - (I), (D) - (II)

**44.** Which of the following methods of contraception is ***not*** meant for females ?

(1) IUDs

(2) Lactational amenorrhea

(3) Vasectomy

(4) Condoms

**45.** *'Saheli'* – an oral contraceptive pill, also known as the 'Once a week' pill, was developed by :

(1) AIIMS
(2) NBRI
(3) CDRI
(4) NBPGR

**SPACE FOR ROUGH WORK**

**42.** চিকিৎসা ব্যৱস্থাৰে গৰ্ভপাত (MTP) সম্পৰ্কে কোনটো উক্তি অশুদ্ধ ?

(1) প্ৰথম ত্ৰৈমাসিকৰ সময়ত ইয়াক সুৰক্ষিত বুলি গণ্য কৰা হয়।

(2) 1971 চনৰপৰা ভাৰতত ইয়াক বৈধ কৰা হৈছে।

(3) MTP, 24 সপ্তাহৰ পিছতো কৰিব পাৰি কিন্তু 2 গৰাকী পঞ্জীভুক্ত চিকিৎসকৰ নিৰ্দিষ্ট ভিত্তিৰ ওপৰত মতামত লৈহে সেয়া কৰিব পাৰি।

(4) বিশ্বব্যাপী গৰ্ভধাৰণৰ মুঠ সংখ্যাৰ প্ৰায় 20 শতাংশই এবছৰত MTP কৰা হয়।

**43.** **তালিকা-I**ক **তালিকা-II**ৰ সৈতে মিলোৱা :

| **তালিকা-I**<br>**বিভিন্ন সহায়ক প্ৰজনন প্ৰযুক্তি** | **তালিকা-II**<br>**জড়িত প্ৰক্ৰিয়া** |
|---|---|
| (A) ZIFT | (I) ডিম্বাণুত পোনপটীয়াকৈ শুক্ৰাণু প্ৰৱেশ কৰাই ভ্ৰূণ (ভিট্ৰীয় ভাৱে) গঠন কৰা |
| (B) ICSI | (II) 8 টাতকৈ অধিক ব্লাষ্টোমেয়াৰ থকা ভ্ৰূণ জৰায়ুলৈ স্থানান্তৰ কৰা |
| (C) IUI | (III) 8টা ব্লাষ্টোমেয়াৰলৈকে নিষিক্ত ডিম্বাণুটো ফেলোপিয়ান নলীলৈ স্থানান্তৰ কৰা |
| (D) IUT | (IV) সুস্থ দাতাৰ পৰা কৃত্ৰিমভাৱে জৰায়ুলৈ বীৰ্য্য স্থানান্তৰ কৰা |

তলত দিয়া বিকল্পসমূহৰ পৰা সঠিক উত্তৰটো বাছনি কৰা :

(1) (A) - (III), (B) - (I), (C) - (II), (D) - (IV)

(2) (A) - (III), (B) - (I), (C) - (IV), (D) - (II)

(3) (A) - (II), (B) - (III), (C) - (IV), (D) - (I)

(4) (A) - (IV), (B) - (III), (C) - (I), (D) - (II)

**44.** নিম্নলিখিত কোনটো গৰ্ভনিৰোধ পদ্ধতি মহিলাৰ বাবে নহয় ?

(1) IUDs

(2) স্তন্যক্ষৰণীয় এমেন'ৰিয়া

(3) ভেচেক্টমী

(4) কণ্ডম

**45.** *'সহেলী'* – এটা মৌখিক গৰ্ভনিৰোধক বড়ি, যাক 'সপ্তাহত এবাৰ' বড়ি বুলিও কোৱা হয়, তলৰ কোনটোয়ে ইয়াৰ বিকাশ ঘটাইছিল ?

(1) AIIMS

(2) NBRI

(3) CDRI

(4) NBPGR

SPACE FOR ROUGH WORK

**Read the passage carefully and give the answers to the next five questions :**

Does the number of species in a community really matter to the functioning of the ecosystem ? This is a question for which ecologists have not been able to give a definitive answer. For many decades, ecologists believed that communities with more species, generally, tend to be more stable than those with less species. According to the International Union for Conservation of Nature and Natural Resources (IUCN) (2004), the total number of plant and animal species described so far is more than 1.5 million.

**46.** Which of the following is ***not*** a characterstic of a stable biological community ?

(1) It must be resistant to invasions by alien species.

(2) It should not show too much variation in productivity from year to year.

(3) All the species are equally important in a stable community and absence of any one leads to its unstability.

(4) It is resilient to occasional disturbances, whether natural or man-made.

**47.** In 'rivet popper hypothesis' the 'rivet' signifies :

(1) Key species (2) Endemic species

(3) Community (4) Species

**48.** The scientist who proved that species richness directly correlates with the stability of a community, was ____________ .

(1) Paul Ehrlich (2) David Tilman

(3) Robert May (4) Edward Wilson

**49.** Among the vertebrates, which of the following is the most species-rich group ?

(1) Reptiles (2) Fishes

(3) Insects (4) Mammals

**50.** The following are the various hypotheses proposed in explaining the greatest biological diversity in tropics *except* :

(1) Temperate regions are subjected to glaciations, but tropical latitudes have remained relatively undisturbed.

(2) Tropical environments have more humidity/moisture which helps the diversity to flourish.

(3) Tropical environments are less seasonal and more constant.

(4) There is more solar energy available in the tropics which contributes to higher productivity and hence, biodiversity.

---

**SPACE FOR ROUGH WORK**

**দফাটো মনোযোগেৰে পঢ়া আৰু পৰবৰ্তী পাঁচটা প্ৰশ্নৰ উত্তৰ দিয়া** :

এটা সম্প্ৰদায়ৰ প্ৰজাতিৰ সংখ্যা বাস্তৱতে পৰিস্থিতিতন্ত্ৰৰ কাৰ্যকলাপৰ বাবে গুৰুত্বপূৰ্ণ নেকি? এইটো এটা প্ৰশ্ন যাৰ বাবে পৰিস্থিতিতন্ত্ৰবিদসকলে এক নিৰ্দিষ্ট উত্তৰ দিব পৰা নাই । বহু দশক ধৰি, পৰিস্থিতিতন্ত্ৰবিদসকলেবিশ্বাস কৰিছিল যে অধিক প্ৰজাতি থকা সম্প্ৰদায়বোৰ সাধাৰণতে কম প্ৰজাতি তুলনাত অধিক স্থিৰ হয় । আন্তঃৰাষ্ট্ৰীয় প্ৰকৃতি আৰু প্ৰাকৃতিক সম্পদ সংৰক্ষণ সংঘযুক্ত সম্প্ৰদায়ৰ কৰা (IUCN) (2004) অনুসৰি, এতিয়ালৈকে বৰ্ণনা কৰা উদ্ভিদ আৰু প্ৰাণী প্ৰজাতিৰ মুঠ সংখ্যা 15 লাখতকৈ অধিক।

**46.** তলৰ কোনটো এটা সুস্থিৰ জৈৱিক সম্প্ৰদায়ৰ বৈশিষ্ট্য নহয় ?

(1) ই অচিন প্ৰজাতিৰ আক্ৰমণৰ প্ৰতি প্ৰতিৰোধী হ'ব লাগিব।

(2) ই বছৰে বছৰে উৎপাদকতাত অত্যাধিক পাৰ্থক্য দেখুৱাব নালাগে।

(3) এটা সুস্থিৰ সম্প্ৰদায়ত সকলো প্ৰজাতি সমানেই গুৰুত্বপূৰ্ণ আৰু কোনো এটাৰ অনুপস্থিতিয়ে ইয়াত অস্থিৰতাৰ সৃষ্টি কৰে।

(4) ই প্ৰাকৃতিক বা মানৱসৃষ্ট যিয়েই হওক, মাজে মাজে হোৱা বিশৃংখলতাৰ প্ৰতি স্থিতিস্থাপক।

**47.** 'ৰিভেট পপাৰ প্ৰকল্পত' ৰিভেটৰ অৰ্থ হৈছে :

(1) গুৰুত্বপূৰ্ণ প্ৰজাতিসমূহ (2) স্থানীয় প্ৰজাতি

(3) সম্প্ৰদায় (4) প্ৰজাতি

**48.** পৰীক্ষা-নিৰীক্ষাৰ জৰিয়তে প্ৰজাতিৰ প্ৰচুৰতাক সম্প্ৰদায়ৰ স্থিৰতাৰ সৈতে পোনপটীয়াকৈ সম্পৰ্কিত বুলি প্ৰমাণ কৰা বিজ্ঞানীজন আছিল :

(1) পল এৰলিচ (2) ডেভিড টিলমেন

(3) ৰবাৰ্ট মে (4) এডৱাৰ্ড উইলছন

**49.** মেৰুদণ্ডী প্ৰাণীৰ ভিতৰত তলৰ কোনবিধ প্ৰাণী আটাইতকৈ প্ৰজাতি সমৃদ্ধ গোট ?

(1) সৰীসৃপ। (2) মৎস্য (3) পতংগ। (4) স্তন্যপায়ী প্ৰাণী

**50.** তলত দিয়া কোনটো প্ৰকল্পৰ বাহিৰে আনবোৰ ক্ৰান্তীয় অঞ্চলত বৃহৎ জৈৱ বৈচিত্ৰ্য ব্যাখ্যা কৰাৰ বাবে প্ৰস্তাৱিত প্ৰকল্পৰ ?

(1) তাপীয় মণ্ডলসমূহ হিমবাহৰ দ্বাৰা প্ৰভাৱিত হয়; কিন্তু নাতিশীতোষ্ণ অক্ষাংশ মণ্ডলসমূহ তুলনামূলকভাৱে অ-বিঘ্নিত হৈ আছে।

(2) ক্ৰান্তীয় পৰিৱেশত অধিক আৰ্দ্ৰতা জলীয় বাষ্প থাকে যিয়ে বৈচিত্ৰ্যৰ বিকাশত সহায় কৰে।

(3) ক্ৰান্তীয় পৰিৱেশ কম ঋতুভিত্তিক আৰু অধিক স্থিৰ।

(4) ক্ৰান্তীয় অঞ্চলত অধিক সৌৰ শক্তি উপলভ্য যিয়ে উচ্চ উৎপাদনশীলতা আৰু তাৰ ফলশ্ৰুতিত সেয়েহে জৈৱ বৈচিত্ৰ্যত অৰিহণা যোগায়।

SPACE FOR ROUGH WORK

# SPACE FOR ROUGH WORK

# SPACE FOR ROUGH WORK

***Read carefully the following instructions :***

8. No candidate will be allowed to leave the OMR Answer Sheet blank. If any OMR Answer Sheet is found blank, it shall be crossed by the Invigilator with his/her signature, mentioning "Cancelled" on it.

9. Do not tear or fold any page of the Test Booklet and OMR Answer Sheet.

10. Candidates are advised to ensure that they fill the correct particulars on the OMR Answer Sheet, i.e., Application No., Roll No., Test Booklet No., Name, Mother's Name, Father's Name and Signature.

11. In case of any discrepancy in any question between English and Hindi/Regional language version, the English version will be considered as the final version for evaluation.

12. Rough work is to be done in the space provided for this purpose in the Test Booklet only.

13. The answers will be evaluated through electronic scanning process. Incomplete or incorrect entries may render the OMR Answer Sheet invalid.

14. Candidates are advised not to fold or make any stray marks on the OMR Answer Sheet. Use of Eraser, Nail, Blade, White Fluid/Whitener, etc., to smudge, scratch or damage in any manner the OMR Answer Sheet during examination is strictly prohibited. Candidature and OMR Answer Sheet of candidates using Eraser, Nail, Blade or White Fluid/Whitener to smudge, scratch or damage in any manner shall be cancelled.

15. There will be one copy of OMR Answer Sheet i.e., the Original Copy. After the examination is over, the candidate shall hand over the OMR Answer Sheet to the Invigilator. The candidate can take away the Test Booklet after the examination is over. If the candidate does not hand over the OMR Answer Sheet to the Invigilator and goes away with the OMR Answer Sheet, his/her candidature shall be cancelled and criminal proceedings shall also be initiated against him/her.

16. Candidates are advised strictly not to carry handkerchief, any mobile phone, any type of watch, belt or wear ornaments like ring, chain, ear-ring, etc., electronic or communication device, pen, pencil, eraser, sharpener and correction fluid to the Examination Centre. If any candidate is found possessing any such item, he/she will not be allowed to enter the examination centre. Possession of a mobile phone or any other aiding material as mentioned above by the candidate in the examination room will be treated as a serious violation and it may lead to cancellation of the candidature and debarring him/her from future examinations.

17. If a candidate violates any instructions or shows any indiscipline or misbehaviour, appropriate action will be taken including cancellation of candidature and debarring from future examinations.

18. Use of electronic/manual calculator is **not** allowed.

***নিৰ্দেশনাসমূহ গুৰুত্বসহকাৰে পঢ়ি লওঁক :***

8. কোনো পৰীক্ষাৰ্থীয়ে OMR উত্তৰ পত্ৰিকা খালী এৰিব নোৱাৰিব। যদি কোনো উত্তৰ পত্ৰিকা খালী দেখা যায় নিৰীক্ষকে উক্ত পত্ৰিকাখন নিৰীক্ষণ কৰি নিজৰ হস্তাক্ষৰসহ পত্ৰিকাখন বাতিল কৰিব।

9. কোনো পৰীক্ষাৰ্থীয়ে OMR উত্তৰ পত্ৰিকাখন ছিগা/কটা/ভাঁজ দিয়া কাৰ্য নকৰিব।

10. পৰীক্ষাৰ্থীয়ে যাতে OMR উত্তৰ পত্ৰিকা নিজৰ সঠিক তথ্যৰে ভৰ্তি কৰে, যেনে, আবেদনপত্ৰ সংখ্যা (এপ্লিকেশ্বন নং) ক্ৰমাংক (ৰোল নম্বৰ), পৰীক্ষা পুস্তিকা সংখ্যা, নাম, মাতৃৰ নাম, পিতৃৰ নাম আৰু হস্তাক্ষৰ।

11. যদিহে প্ৰশ্নটোত ইংৰাজী আৰু আঞ্চলিক ভাষাৰ মাজত বিসংগতি দেখা যায় তেনেহ'লে ইংৰাজীত থকা প্ৰশ্নটোক প্ৰাধান্য দি মূল্যাংকনৰ বাবে বিবেচিত কৰা হ'ব।

12. খুচুৰা (Rough) কামৰ বাবে প্ৰশ্ন পুস্তিকাত দিয়া নিৰ্ধাৰিত ঠাইহে ব্যৱহাৰ কৰিব।

13. উত্তৰসমূহ বৈদ্যুতিক স্কেনিং প্ৰক্ৰিয়াৰে (electronic scanning process) মূল্যাংকন কৰা হ'ব। অসম্পূৰ্ণ অথবা অশুদ্ধ তথ্যই OMR উত্তৰ পত্ৰিকাক অনুপযুক্ত হিচাপে বিবেচিত কৰিব (বাতিল কৰিব)।

14. পৰীক্ষাৰ্থীসকলক জনোৱা যায় যে OMR উত্তৰ পত্ৰিকাত যিকোনো ভাঁজ অথবা চিহ্ন দিয়াটো নিয়ম বৰ্হিভূত। পৰীক্ষাৰ সময়ত OMR উত্তৰ পত্ৰিকাত দাগ লগোৱা বা লেতেৰা কৰা বা ক্ষতি কৰা যিকোনো সজুঁলি যেনে ৰবৰ (ইৰেজাৰ), নখ, ব্লেড, ৱাইটনাৰ ইত্যাদিৰ ব্যৱহাৰ নিষিদ্ধ। কোনো পৰীক্ষাৰ্থীয়ে যদি ৰবৰ, নখ, ব্লেড ইত্যাদি ব্যৱহাৰ কৰে তেন্তে তেওঁৰ পৰীক্ষাৰ্থী হোৱাৰ যোগ্যতা বাতিল হিচাপে বিবেচিত হ'ব।

15. অৰিজিনেল OMR খনেই OMR উত্তৰ পত্ৰিকাৰ একমাত্ৰ কপি। পৰীক্ষাৰ অন্তত পৰীক্ষাৰ্থীয়ে OMR উত্তৰ পত্ৰিকাখন নিৰীক্ষকৰ হাতত জমা দিব। পৰীক্ষাৰ শেষত পৰীক্ষাৰ্থীয়ে প্ৰশ্ন পুস্তিকাখন নিজৰ সতে কঢ়িয়াব পাৰিব। যদিহে কোনো পৰীক্ষাৰ্থীয়ে OMR উত্তৰ পত্ৰিকাখন নিৰীক্ষকৰ হাতত জমা নিদি নিজৰ সৈতে লৈ পৰীক্ষাগৃহ ত্যাগ কৰিব খোজে তেন্তে সেই পৰীক্ষাৰ্থীৰ পৰীক্ষাৰ্থী হোৱাৰ যোগ্যতা বাতিল কৰা হ'ব আৰু তেওঁৰ বিৰুদ্ধে আইনী ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

16. পৰীক্ষাৰ্থীসকলক জনোৱা হয় যে নিম্নলিখিত বস্তুসমূহ পৰীক্ষাগৃহত অনুমতি দিয়া নহয়। যেনে, ৰুমাল, মোবাইল ফোন, যিকোনো ধৰণৰ ঘড়ী, বেল্ট, গহনা যেনে আঙুঠি, চেইন, কাণফুলি, বৈদ্যুতিক বা যোগাযোগৰ আহিলা, কলম, পেঞ্চিল, ৰবৰ, শ্বাৰ্পনাৰ, ৱাইটনাৰ ইত্যাদি। পৰীক্ষাৰ্থীৰ ওচৰত এইসমূহৰ যিকোনো এবিধ বস্তু থাকিলেও তেওঁক পৰীক্ষা কেন্দ্ৰত প্ৰৱেশৰ অনুমতি দিয়া নহ'ব। পৰীক্ষা গৃহত পৰীক্ষাৰ্থীৰস সৈতে মোবাইল ফোন অথবা ওপৰোক্ত যিকোনো বস্তু পোৱা গ'লে তাক গম্ভীৰ উলংঘন হিচাপে বিবেচনা কৰা হ'ব। এয়াই পৰীক্ষাৰ্থীৰ যোগ্যতা বাতিল অথবা ভৱিষ্যতেও যোগ্যতা বাতিলৰ নিচিনা কঠোৰ পৰিস্থিতিলৈ লৈ যাব পাৰে।

17. যদি এগৰাকী পৰীক্ষাৰ্থীয়ে কোনো নিৰ্দেশনাৰ উলংঘন কৰে, শৃংখল ভংগ কৰে অথবা অভদ্ৰ আচৰণ দেখুৱায়, তেওঁৰ বিৰুদ্ধে বিহিত ব্যৱস্থা গ্ৰহণ কৰা হ'ব যাৰ বিতৰত ভৱিষ্যত আৰু বৰ্তমানত পৰীক্ষাৰ্থীৰ যোগ্যতা বাতিলো অন্তৰ্ভূক্ত।

18. বৈদ্যুতিক অথবা মেনুৱেল কেলকুলেটৰ (গগনা যন্ত্ৰ) ব্যৱহাৰ কৰা **নিষেধ**।